**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-MAY-2026 **Time :** 1715 HRS

***Assamese Evening Bulletin***

---

১। ২০২৭ বৰ্ষৰ লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তিভিত্তিক ভাবে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহৰ যাৱতীয় ব্যৱস্থা গ্ৰহণ।

২। গুৱাহাটী উচ্চ ন্যায়ালয়ত কাইলৈ শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায়দান।

৩। দেশৰ বিভিন্ন অংশৰ লগতে অসমতো ঈদ-উজ্-জোহা পালন।

আৰু

৪। চিৰাঙত আজিৰেপৰা দুদিনীয়া কাৰ্যসূচীৰে আন্তঃক্লাব এথলেটিকছ্ মীট-২০২৬।

0000000

কেন্দ্ৰীয় চৰকাৰৰ গৃহ মন্ত্ৰালয়ৰ অধীনত হ'বলগীয়া ২০২৭ বৰ্ষৰ লোকপিয়ল সম্পৰ্কে ইতিমধ্যে অধিসূচনা জাৰি কৰা হৈছে। লোকপিয়লৰ পূৰ্বে গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সঠিক আৰু প্ৰযুক্তি ভিত্তিক ভাবে সম্পন্ন কৰাৰ লক্ষ্যৰে ৰাজ্যৰ জিলা প্ৰশাসনসমূহে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত কাছাৰ জিলা প্ৰশাসনে প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰিছে। সোণাই পৌৰসভা, লক্ষীপুৰ পৌৰ সভা, বদৰপুৰ পৌৰ সভা, শিলচৰ পৌৰ সভাকে ধৰি বিভিন্ন বিভাগৰ বিষয়াসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় লোকপিয়ল কাৰ্যসূচীৰ অধীনত গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া অধিক ফলপ্ৰসূ আৰু স্বচ্ছ কৰি তোলাৰ লক্ষ্যৰে এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। প্ৰশিক্ষণ কাৰ্যসূচীত অতিৰিক্ত জিলা আয়ুক্ত তথা জিলা লোকপিয়ল বিষয়া ৰক্তিম বৰুৱাই লোকপিয়ল সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে।

একেদৰে তামুলপুৰ জিলা প্ৰশাসনেও গৃহ পঞ্জীয়ন প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে, গণনাকাৰী বিষয়াসকলে অহা ১৭ আগষ্টৰ পৰা ৩০ ছেপ্টেম্বৰলৈ ঘৰে ঘৰে গৈ তথ্য সংগ্ৰহ কৰিব। জনসাধাৰণে ২ আগষ্টৰ পৰা পৰ্টেল যোগে নিজৰ তথ্যসমূহ দাখিল কৰিব পাৰিব। পৰ্টেলত তথ্যসমূহ আপলোড কৰাৰ পাছত নাগৰিকে তেওঁলোকে নিজৰ নামত এটা আই ডি লাভ কৰিব। গণনাকাৰীসকল ঘৰলৈ যাওঁতে তেওঁলোকৰ হাতত সেই আই ডিটো দাখিল কৰিব লাগিব। আনহাতে, দ্বিতীয় পৰ্যায়ত জাতি ভিত্তিক তথ্য সংগ্ৰহ কৰা হ'ব। তামুলপুৰ জিলা প্ৰশাসনে জিলাখনৰ সকলো নাগৰিককে এই কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে।

ধেমাজি জিলা প্ৰশাসনেও আজিৰ পৰা তিনিদিনীয়াকৈ প্ৰশিক্ষণ কাৰ্যসূচী গ্ৰহণ কৰিছে। ধেমাজি সংহত জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত প্ৰথমদিনাৰ প্ৰশিক্ষণ কাৰ্যসূচীত জিলা লোকপিয়ল বিষয়াকে ধৰি ভালেকেইজন বিষয়া উপস্থিত থাকে। ৰাজ্যৰ লোকপিয়ল অভিযান সঞ্চালকাৰলয়ৰ পৰা নিয়োজিত প্ৰশিক্ষকসকলে এই কাৰ্যসূচীত প্ৰশিক্ষণ আগবঢ়ায়। অহা ৩০ মে'ত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ অন্ত পৰিব।

মৰিগাঁও জিলাতো লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় জিলা পৰ্যায়ৰ প্ৰশিক্ষণ কাৰ্যসূচী কালি আৰম্ভ হয়। সমাগত লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যে আয়োজিত এই প্ৰশিক্ষণ কাৰ্যসূচী ৩০ মে'লৈ চলিব। লোকপিয়ল পৰিচালনা সঞ্চালকালয়ৰ সহকাৰী সঞ্চালক সপ্তৰাজ দাস আৰু ডিপিএ দীপক বৰুৱা সমল ব্যক্তি হিচাপে উপস্থিত থাকে।

০০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে শিল্পী জুবিন গাৰ্গৰ হত্যাৰ গোচৰত অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় কাইলৈ প্ৰদান কৰিব। উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠে কাইলৈ দিনৰ ২ বজাত এই ৰায় প্ৰদান কৰিব। ইয়াৰ পূৰ্বে বাক্সাৰ জিলা কাৰাগাৰত কাৰাৰুদ্ধ হৈ থকা অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত কেইবাদিনো ধৰি শুনানি অনুষ্ঠিত হৈছিল। শুনানিকালত জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰাৰ বিপৰীতে ৰাজ্য চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ইয়াৰ বিৰোধিতা কৰিছিল। উভয় পক্ষৰ যুক্তি শুনাৰ পাছত উচ্চ ন্যায়ালয়ে কাইলৈ শ্যামকানু মহন্তৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব। আনহাতে ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতেও কাইলৈ অভিযুক্ত শেখৰজ্যোতি গোস্বামীৰ জামিন আবেদনৰ ৰায় প্ৰদান কৰিব।

০০০০০০০০

দেশৰ বিভিন্ন অংশৰ লগতে ৰাজ্যতো আজি ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পবিত্ৰ ঈদ-উজ্-জোহা পালন কৰা হৈছে। ৰাজ্যৰ বিভিন্ন স্থানত আজি ঈদ-উজ্-জোহা উপলক্ষে ভাতৃত্ববোধ আৰু বিশ্ব শান্তিৰ বাবে সুন্দৰকৈ সজাই পৰাই তোলা ঈদগাহসমূহত নামাজ পঢ়া হয়।

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ ২০০ৰো অধিক ঈদগাহত প্ৰায় ৪ লাখ লোকে ঈদৰ সমূহীয়া নামাজত ভাগ লয়।

**চিৰাং, বৰপেটা, ধুবুৰী,** কোকৰাঝাৰ, শ্ৰীভূমি, দৰং, শোণিতপুৰ, নগাঁও আদি বিভিন্ন জিলাৰ মছজিদ-ঈদগাহতো ভালেসংখ্যক লোকে আজি ঈদৰ সমূহীয়া নামাজত ভাগ লয়। **গুৱাহাটী** মহানগৰৰ মাছখোৱা ঈদগাহ ময়দানৰ লগতে অন্যান্য ঈদগাহ আৰু ময়দানত সমূহীয়া নামাজ অনুষ্ঠিত হয়।

ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ঈদ উপলক্ষে ইচলাম ধৰ্মাৱলম্বী লোকসকলক শুভেচ্ছা জনাইছে।

০০০০০০০০

উত্তৰ গুৱাহাটীৰ ভেটামুখ নয়নপুৰত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই নকল সোণৰ নাওসহ এজন লোকক গ্ৰেপ্তাৰ কৰে। জব্দ কৰা নকল সোণখিনিৰ ওজন ৫ দশমিক ৯৭০ কিলোগ্ৰাম বুলি আৰক্ষীয়ে প্ৰকাশ কৰে। গ্ৰেপ্তাৰ কৰা মোস্তাকিন ওৰফে ৰফিকুল ইছলামৰ পৰা ৮৪ হাজাৰ টকা আৰু এটা মোবাইল ফোনো জব্দ কৰা হয়। লোকজনৰ ঘৰ গোৰেশ্বৰত বুলি আৰক্ষীয়ে জানিবলৈ দিছে। নকল সোণৰ অবৈধ বেহা চলোৱা

লখিমপুৰৰ অবিনাশ সৰকাৰ আৰু মফিদুল ইছলাম নামৰ আন দুজন অভিযুক্তক কৰায়ত্ব কৰাৰ বাবে আৰক্ষীয়ে অভিযান অব্যাহত ৰাখিছে।

00000000

গুৱাহাটীৰ হাতীগাঁও আৰক্ষীয়ে অপহৰণ আৰু ধন দাবীৰ অভিযোগত আজি চাৰিজন লোকক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীয়ে দৰং জিলাৰ ছিপাঝাৰত অভিযান চলাই লোককেইজনক গ্ৰেপ্তাৰ কৰে। ইয়াৰ লগতে আৰক্ষীৰ দলটোৱে নাছিৰ আহমেদ নামৰ এজন অপহৃত লোকক সুকলমে উদ্ধাৰ কৰে। উল্লেখযোগ্য যে, নাছিৰ আহমেদক যোৱা ২৬ মে'ত দুৰ্বৃত্তৰ দলে অপহৰণ কৰি ৫লাখ টকাৰ মুক্তিপণ দাবী কৰিছিল। এই সন্দৰ্ভত পৰিয়ালৰ লোকে দিয়া এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে অভিযান চলাই দুৰ্বৃত্তৰ দলটোক কৰায়ত্ত কৰে। অপহৰণকাণ্ডৰ সৈতে জড়িত আন এজন অভিযুক্ত বৰ্তমান পলাতক হৈ আছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। ঘটনাৰ সন্দৰ্ভত হাতীগাঁও থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আনজাত ব্ৰহ্মই এইদৰে কয়-

-বাইট-

00000000

বিশ্ব ঐতিহ্য ক্ষেত্ৰ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু ব্যাঘ্ৰ সংৰক্ষণ ক্ষেত্ৰ কাইলৈৰ পৰা পৰ্যটকৰ বাবে বন্ধ থাকিব। বাৰিষা আৰু বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি উদ্যান কৰ্তৃপক্ষই এই সিদ্ধান্ত গ্ৰহণ কৰিছে। তথ্য অনুসৰি ২০২৫-২৬ পৰ্যটন বৰ্ষত উদ্যানখনলৈ ৪ লাখ ৬৮ হাজাৰৰো অধিক পৰ্যটকৰ আগমন হয়। এই বৰ্ষত বিদেশী পৰ্যটকৰ সংখ্যাও যথেষ্ট বৃদ্ধি হোৱা বুলি উদ্যান কৰ্তৃপক্ষই প্ৰকাশ কৰিছে।

00000000

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ অধীনত কাইলৈৰ পৰা হাইস্কুল শিক্ষান্ত কম্পাৰ্টমেণ্টেল পৰীক্ষা অনুষ্ঠিত হ'ব। অহা ৫ জুনলৈ চলিবলগীয়া এই পৰীক্ষা সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে বিভিন্ন জিলাৰ প্ৰশাসনে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ১৬৩ নম্বৰ ধাৰাৰ অধীনত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩১ মে'ত আকাশবাণী যোগে প্ৰচাৰিত **মন কী বাত** অনুষ্ঠানত দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৪ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে ট'লফ্ৰী নম্বৰ ১৮০০-১১-৭৮০০ ত ফোন কৰি তেওঁলোকৰ মনৰ ভাব প্ৰকাশ কৰাৰ লগতে পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে নৰেন্দ্ৰ মোদী এপ অথবা মাইগভ মুকলি মঞ্চৰ জৰিয়তেও দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। জনসাধাৰণে ১৯২২ নম্বৰত মিছকল দি লাভ কৰা এছ এম এছ লিংকত ক্লিক কৰিও প্ৰধানমন্ত্ৰীলৈ প্ৰত্যক্ষভাৱে দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব। মন কী বাতৰ এই খণ্ডৰ বাবে ২৯ মে'লৈকে মতামত আৰু দিহা-পৰামৰ্শ আগবঢ়াব পাৰিব।

000000000

চিৰাং জিলাৰ সদৰ কাজল গাঁৱৰ শালঝৰা শান্তি সমিতিৰ খেলপথাৰত আজি ২১ সংখ্যক আন্তঃক্লাব এথলেটিকছ মীট-২০২৬ অনুষ্ঠিত হৈছে। দুদিনীয়াকৈ অনুষ্ঠিত এই প্ৰতিযোগিতাৰ কাইলৈ অন্ত পৰিব। আজি চিৰাং জিলা ক্ৰীড়া সন্থাৰ সভাপতি তথা কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰীয়ে সন্থাৰ পতাকা

উত্তোলেনেৰে প্ৰতিযোগিতাৰ আৰম্ভণি কৰে। তৰুণ প্ৰজন্মৰ মাজত ক্ৰীড়াৰ প্ৰতি প্ৰতিযোগিতাৰ মনোভাৱ জগাই তোলাৰ লগতে সকলো পৰ্যায়ৰ খেলুৱৈক আগবঢ়াই নিয়াটোৱে এই প্ৰতিযোগিতাৰ উদ্দেশ্য বুলি সন্থাৰ বিষয়ববীয়াসকলে প্ৰকাশ কৰিছে। দৌৰ, লং জাম্প, হাই জাম্প, ডিছকাছ থ্ৰ', জেভলিন থ্ৰ', শ্বটপুট আদি খেলসমূহ এই প্ৰতিযোগিতাত অন্তৰ্ভুক্ত কৰা হৈছে। অসম এথলেটিকছ্ সন্থাৰ পৰ্যবেক্ষক প্ৰতিনিধি নিমন ব্ৰহ্ম, বড়োলেণ্ড ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি, চিৰাং জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক, বিজনী জিলা ক্ৰীড়া সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি আৰু সাধাৰণ সম্পাদক এই প্ৰতিযোগিতাত সন্মানীয় অতিথিৰূপে উপস্থিত থাকে।

000000000

সমাপ্ত